**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 26-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

১।	উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটকলৈ যাব।
২।	দেশৰ জনসাধাৰণৰ অংশগ্ৰহণেৰে নিচামুক্ত ভাৰত অভিযানে সমগ্ৰ দেশতে এটা গণ আন্দোলনৰ ৰূপ লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।
৩।	বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোৱেলক লণ্ডনত বাৰ্ষিক ব্ৰিটেইন-ভাৰত বঁটা ২০২৬ প্ৰদান কৰা হয়।
৪।	কলকাতাৰ তাৰাটালাত সংঘটিত নিৰ্মীয়মান অট্টালিকা ভাগি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১৫ জনলৈ বৃদ্ধি পাইছে। ***আৰু***
৫।	জাৰ্মানীত অনুষ্ঠিত আই এছ এছ এফ জুনিয়ৰ অল ছেম্পিয়নশ্বিপৰ পিষ্টল আৰু ৰাইফল ইভেণ্টত ৭ টা স্বৰ্ণ পদক লাভ কৰি তালিকাৰ শীৰ্ষ স্থান দখল কৰিছে।

ooooo

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটকলৈ যাব। কাইলৈ কৰ্ণাটকৰ বেংগালুৰুত শ্ৰীৰাধাকৃষ্ণণে নন্দপ্ৰভূ শ্ৰীকেম্পেগৌড়া ৫১৭ সংখ্যক জন্মজয়ন্তী অনুষ্ঠানত উপস্থিত থাকিব। দেওবাৰে উপৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজীৱ গান্ধী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা দিৱস আৰু আন্তৰ্জাতিক ড্ৰাগছ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে আয়োজন কৰা নিচামুক্ত ভাৰত অনুষ্ঠানত অংশ ল'ব।

ooooo

আজি আন্তৰ্জাতিক মাদক দ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস। মাদক দ্ৰব্যৰ অপব্যৱহাৰ ক্ৰমান্বয়ে গোলকীয় প্ৰত্যাহ্বানলৈ পৰিণত হৈছে। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'বিশ্বৰ মাদকদ্ৰব্য সমস্যাঃ নিৰন্তৰ সমস্যা, নতুন প্ৰত্যাহ্বান, উদ্ভাৱনীমূলক সমিধান'।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত এখন নিচামুক্ত ভাৰত গঢ়াৰ বাবে জনসাধাৰণৰ সমূহীয়া প্ৰচেষ্টা পুনৰ নিশ্চিত কৰিবলৈ আহ্বান জনায়। শ্ৰী ৰাধাকৃষ্ণণে মাদকদ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে সক্ৰিয়ভাৱে অভিযান চলাই থকা বিশ্ববিদ্যালয়, অন্যান্য শৈক্ষিক প্ৰতিষ্ঠান আৰু সংস্থাসমূহৰ শলাগ লয়। এনে প্ৰতিষ্ঠানসমূহৰ প্ৰচেষ্টাই এখন শক্তিশালী, স্বাস্থ্যবান আৰু নিচামুক্ত ভাৰত গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে এইক্ষেত্ৰত সজাগতাৰ প্ৰসাৰৰ লগতে মাদকদ্ৰব্যৰ পৰা মুক্ত হোৱাত সহায় কৰা আৰু যুৱ চামক সুস্বাস্থ্য আৰু নিৰ্দিষ্ট লক্ষ্যৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ বাবে সকলোকে একত্ৰিত হ'বলৈ আহ্বান জনায়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মাদকদ্ৰব্যৰ বিৰুদ্ধে যুঁজ দি অহাসকলৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। এই দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে ভাৰতে মাদকদ্ৰব্যৰ অপব্যৱহাৰৰ দৰে গোলকীয় প্ৰত্যাহ্বানৰ বিৰুদ্ধে এখন শক্তিশালী যুঁজ দি আহিছে বুলি উল্লেখ কৰে।

ooooo

দেশৰ জনসাধাৰণৰ অংশগ্ৰহণেৰে নিচামুক্ত ভাৰত অভিযানে সমগ্ৰ দেশতে এটা গণ আন্দোলনৰ ৰূপ লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰকাশ কৰিছে। সামাজিক ন্যায় আৰু সৱলীকৰণৰ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী বি এল বাৰ্মাই ড্ৰাগছ্মুক্ত ভাৰত নিৰ্মাণৰ গুৰুত্ব সম্পৰ্কে লিখা লেখনি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এই বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে সকলো জনসাধাৰণক ড্ৰাগছ্মুক্ত ভাৰত আৰু বিকশিত ভাৰত নিৰ্মাণত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

লেখনিটোত শ্ৰীবাৰ্মাই উল্লেখ কৰে যে যুৱ প্ৰজন্মৰ ভৱিষ্যত আৰু দেশৰ প্ৰগতিত হেঙাৰ হিচাপে থিয় দিয়া ড্ৰাগছ্ক চৰকাৰে স্পৰ্শকাতৰ বিষয় হিচাপে গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে সকলো জনসাধাৰণকে বিশেষকৈ যুৱ প্ৰজন্মক নিচামুক্ত ভাৰত অভিযানৰ অংশ ল'বলৈ আহ্বান জনাইছে। সকলোৰে সহযোগত এই অভিযান এটি গণ আন্দোলনৰ ৰূপ লৈ ড্ৰগছ্মুক্ত ভাৰত গঢ়াৰ লগতে এখন উন্নত ভাৰত গঢ় লৈ উঠিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই পদক্ষেপে বিকশিত ভাৰতৰ সপোন গঢ়াত শক্তিশালী ভেটি হিচাপে কাম কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ড্ৰাগছৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুদ্ধৰ আহ্বান জনাই কয় যে ড্ৰাগছৰ আতংকই ৰাষ্ট্ৰৰ নিৰাপত্তা, সামাজিক স্থিতিশীলতা, অৰ্থনৈতিক বিকাশ তথা যুৱক-যুৱতী আৰু দেশৰ ভৱিষ্যতৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। শ্ৰীশ্বাহে ড্ৰাগছ বিৰোধী এই যুঁজত যুৱক-যুৱতী আৰু মাতৃসকলক একগোট হৈ যুঁজ দিবলৈ আহ্বান জনাইছে। ড্ৰাগছৰ সৰবৰাহৰ বিৰুদ্ধে চৰকাৰৰ অবিৰত অভিযান চলি আছে বুলি দিল্লীত অনুষ্ঠিত নাৰ্কো কৰডিনেছন চেণ্টাৰৰ দশম শীৰ্ষ পৰ্যায়ৰ বৈঠকত শ্ৰীশ্বাহে জানিবলৈ দিয়ে। ড্ৰাগছ অপৰাধৰ সৈতে জড়িত তথ্য শীঘ্ৰে প্ৰশাসনক অৱগত কৰোৱাৰ বাবে মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰো বিভিন্ন অনলাইন পোৰ্টেল মুকলি কৰিছে বুলিও শ্ৰীশ্বাহে সদৰি কৰে। আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু মুখ্য সচিব সকলক এই পোৰ্টেলত ৰুজু হোৱা গোচৰৰ সবিশেষ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সমাধান কৰিবলৈ আহ্বান জনায়। শ্ৰীশ্বাহে কয় যে সময়মতে তথ্যসমূহ নিৰীক্ষণ কৰিলে ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে চলোৱা অভিযান শক্তিশালী হৈ উঠিব। মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৰ উদ্যোগত অনুষ্ঠিত এই বৈঠকত শ্ৰীশ্বাহে বৈঠকত ড্ৰাগছমুক্ত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে এক বিশেষ পৰিকাথামো প্ৰস্তুত কৰাৰ লগতে মাদক দ্ৰব্য নিয়ন্ত্ৰণৰ নথিপত্ৰ ২০২৬-২৯ উন্মোচন কৰে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোৱেলক লণ্ডনত অনুষ্ঠিত হোৱা বাৰ্ষিক ব্ৰিটেইন-ভাৰত বঁটা ২০২৬ ত ব্ৰিটেইন আৰু ভাৰতৰ সম্পৰ্কক উন্নত কৰাৰ ক্ষেত্ৰত বিশেষ নেতৃত্ব বহন কৰাৰ বাবে বঁটা প্ৰদান কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীগোৱেলে এইকথা প্ৰকাশ কৰে। এই অংশীদাৰিত্ব সমৃদ্ধ কৰি ৰখাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে শ্ৰীগোৱেলে তেওঁৰ সকলো সতীৰ্থ বঁটাপ্ৰাপকক অভিনন্দন জনায়। শ্ৰীগোৱেলে কয়, যে

জুলাই মাহৰ ১৫ তাৰিখৰ পৰা কাৰ্যকৰী হ'বলগীয়া ভাৰত-ব্ৰিটেইনৰ বিস্তৃত অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিখন ব্ৰিটিছ সংসদীয় ইতিহাসত আটাইতকৈ কম সময়ৰ ভিতৰতে কাৰ্যকৰী হোৱা এখন বাণিজ্য চুক্তি।

০০০০০

কলকাতাৰ তাৰাটালাত সংঘটিত নিৰ্মীয়মান অট্টালিকা ভাগি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১৫ জনলৈ বৃদ্ধি পাইছে। আহতসকল কলকাতাৰ এছ এছ কে এম হস্পিতালত চিকিৎসাধীন হৈ আছে। বৰ্তমানলৈও উদ্ধাৰ অভিযান অব্যাহত আছে। এই ঘটনাত অভিযুক্ত কৰি পুলিচে এগৰাকী চৰকাৰী বিষয়াৰ লগতে ৬ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্য চৰকাৰে এই ঘটনাৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী গোট গঠন কৰি দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিহতসকলৰ নিকটআত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰাৰ লগতে আহতসকলৰ বাবে ৫০ হাজাৰ টকাকৈ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী শুৱেন্দু অধিকাৰীয়েও নিহতসকলৰ পৰিয়ালবৰ্গলৈ ১০ লাখ টকাকৈ আৰু আহতসকলৰ বাবে ১ লাখ টকাৰ সাহায্য ঘোষণা কৰিছে।

০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি ভূটানৰ শিক্ষামন্ত্ৰী ইজাং দি থাপাক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীপ্ৰধানে কয় যে ভূটানৰ শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে শিক্ষকসকলৰ প্ৰশিক্ষণ, দক্ষতা আৰু কৰ্মযোগ্যতা, ডিজিটেল শিক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তা, বহনক্ষম পৰ্যটন, পৰম্পৰাগত চিকিৎসা আৰু সৰ্বাঙ্গীন উন্নয়ন আদি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে দুয়ো দেশৰ মাজত শিক্ষা, উদ্ভাৱন আৰু বিকাশ খণ্ডত যথেষ্ট সম্ভাৱনা আছে। তেওঁ কয় যে ভাৰত-ভূটানৰ কৌশলগত অংশীদাৰিত্ব বৃদ্ধি পাইছে লগতে শিক্ষা দক্ষতা আৰু জ্ঞানৰ অংশীদাৰিত্বত দুয়োদেশৰ সহযোগিতাত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

জাপানৰ প্ৰধানমন্ত্ৰী ছানে তাকাইচিয়ে ষষ্ঠদশ ভাৰত-জাপান বাৰ্ষিক সন্মিলনত অংশ লবলৈ ১ জুলাইৰ পৰা ৩ জুলাইলৈ নতুন দিল্লী ভ্ৰমণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি সন্মিলনখনে দুয়োপক্ষৰ বাবে দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা আৰু শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বৈশ্বিক বিষয়সমূহত মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব। এয়া হ'ব জাপানৰ প্ৰধানমন্ত্ৰী তাকাইচিৰ প্ৰথমটো ভাৰত ভ্ৰমণ। যোৱা বছৰৰ আগষ্টত অনুষ্ঠিত হোৱা পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক সন্মিলনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টকিঅ ভ্ৰমণ কৰিছিল।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে চলিত মাহৰ ২৪ আৰু ২৫ তাৰিখে দক্ষিণ কোৰিয়া ভ্ৰমণ কৰিছিল। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কোৰিয়াৰ বৈদেশিক মন্ত্ৰী চো হিউনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে বিস্তৃত আলোচনাত অংশ লয়। দুয়োগৰাকী নেতাই বাণিজ্য, বিনিয়োগ, বিত্তীয় সহযোগিতা, জাহাজ নিৰ্মাণ, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, নৱ প্ৰযুক্তি, ষ্টাৰ্টআপ,শিক্ষা সংস্কৃতিকে ধৰি জনসাধাৰণৰ মাজত আদান-প্ৰদান আদি কেইবাটাও

গুৰুত্বপূৰ্ণ বিষয়ত সহযোগিতাৰ পৰ্যালোচনা কৰে। তেওঁলোকে আঞ্চলিক আৰু বৈশ্বিক উন্নয়নৰ বিষয়তো মত বিনিময় কৰে আৰু বহুপাক্ষিক মঞ্চত সহযোগিতা বৃদ্ধি কৰাৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দুয়োজন মন্ত্ৰীয়ে ভাৰত-কোৰিয়া গণৰাজ্যৰ সম্পৰ্কৰ নতুন গতিশীলতাক আদৰণি জনায় আৰু দুয়োখন দেশৰ বিশেষ কৌশলগত অংশীদাৰিত্বক আগুৱাই নিয়াৰ বাবে যোগাযোগত থাকিবলৈ সন্মত হয়।

এই ভ্ৰমণকালত ড০ জয়শংকৰে কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰীয় নিৰাপত্তা সঞ্চালক ৰি সুং-লেককো সাক্ষাৎ কৰে। তেওঁ আঞ্চলিক তথা বিশ্ব সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহত আলোচনা কৰে। ড০ জয়শংকৰে বৈদেশিক মন্ত্ৰী চো হিউনক ভাৰত-কোৰিয়া গণৰাজ্যৰ যুটীয়া আয়োগৰ পৰৱৰ্তী বৈঠকৰ বাবে ভাৰত ভ্ৰমণ কৰিবলৈও আমন্ত্ৰণ জনায়।

ooooo

জাৰ্মানীত অনুষ্ঠিত শ্বুটিঙৰ আইএছ এছ এফ জুনিয়ৰ ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ পিস্তল আৰু ৰাইফল ইভেণ্টত আকৰ্ষণীয় প্ৰদৰ্শনৰ জৰিয়তে ভাৰতীয় শ্বুটাৰসকলে সাতটা স্বৰ্ণ পদক লাভ কৰি পদক তালিকাৰ শীৰ্ষস্থান দখল কৰিছে। প্ৰতিযোগিতাত ভাৰতে সৰ্বমুঠ ২৪ টা পদক লাভ কৰিছে তাৰ ভিতৰত সাতটা স্বৰ্ণ, আঠটা ৰূপ আৰু নটা ব্ৰঞ্জৰ পদক।

ছেজল কাম্বলে মহিলাৰ ১০ মিটাৰ এয়াৰ পিস্তলৰ স্বৰ্ণ আৰু হিমাংশীয়ে ব্ৰঞ্জৰ পদক লাভ কৰি প্ৰতিযোগিতাত ভাৰতৰ অভিযান আৰম্ভ কৰে। তাৰ পিছতে ছেজল, বংশিকা আৰু নব্যা বিষ্ণোই দলীয় ইভেণ্টত স্বৰ্ণ পদক লাভ কৰে। সমীৰে পুৰুষৰ ২৫ মিটাৰ ৰেপিড ফায়াৰ পিস্তল ইভেণ্টত সোণৰ পদক লাভ কৰাৰ লগতে পুৰুষৰ ৫০ মিটাৰ ৰাইফল 3 পজিচন প্ৰতিযোগিতাত ৰোহিত কানয়ান বিজয়ী হয়। মহিলাৰ ৫০ মিটাৰ ৰাইফেল 3-পজিচন ইভেণ্টত প্ৰাচী গাইকোৱাড়ে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে পুৰুষৰ ৫০ মিটাৰ ৰাইফেল 3-পজিচন দল আৰু পুৰুষৰ ২৫ মিটাৰ ৰেপিড ফায়াৰ পিস্তল দলৰ ইভেণ্টত ভাৰতে ব্ৰঞ্জৰ পদক লাভ কৰে। আনভি ৰাথোড়ে মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফেলত ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফেলত প্ৰীতম কেন্দ্ৰেয়ে সোণৰ পদক লাভ কৰে। পুৰুষ আৰু মহিলাৰ ২৫ মিটাৰ পিস্তল দলীয় ইভেণ্টত ভাৰতে ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ ১০ মিটাৰ এয়াৰ পিস্তলত শিৱ নৰৱালে ৰূপৰ পদক লাভ কৰে আৰু যুগ প্ৰতাপ সিং ৰাথোৰে দেশৰ হৈ ডাবল পডিয়াম ফিনিচ সম্পূৰ্ণ কৰিবলৈ ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ